পানী কৰি এই অঞ্চলটোৰ সঞ্জীৱনী স্বৰূপ একুৱেডাক্ট নিৰ্মাণ কৰি উলিয়ালে, সেই সকলৰ অস্তিত্ব যেন মাটিৰ তলত পোত খাই ৰ'ল। লেখিকাই যেন ইয়াত কবি হেম বৰুৱাই পূৰ্বে অংকন কৰা ছবিখন পুনৰ অংকন কৰিব বিচাৰিছে—

*'ৰংঘৰ কাৰেংঘৰ আৰু তলাতল ঘৰ*
*আমিয়েই সাজিলো ৰাতিদিন একাকাৰ কৰি*
*ডা-ডাঙৰীয়া আহে আৰু যায়*
*আমি থাকো বাহিৰত ৰ লাগি চাই।'[৮]*

এই একুৱেডাক্টৰ পৰা শ্ৰমিকসকলে মাথো বিচাৰে দুবেলা দুমুঠি খোৱাৰ উপায়, তাত বাহিৰে তেওঁলোকৰ একো আশা-আকাঙ্খা নাই। কিন্তু শ্ৰমৰ উপযুক্ত মৰ্যাদা দিবলৈ অস্বীকাৰ কৰি এইসকলক দমন, পীড়ণ আৰু শোষণেৰে এনেকৈ পদপিষ্ট কৰি ৰখা হ'ল যে তেওঁলোক জীৱন্ত ফচিললৈ ৰূপান্তৰিত হ'ল। সেয়ে মানৱ দৰদী লেখিকা মামনি ৰয়চমে মাটিৰ তলত পোত খাই থকা ফচিলসমূহত প্ৰাণ প্ৰতিষ্ঠা কৰিবলৈ যত্ন কৰিছে। ফলত এটি এটিকৈ ক্ৰমে নাৰায়ণী, যশোৱন্ত, শম্ভু পাছোৱান, বসুমতী বুঢ়ী, লিচু লেঙেৰা, শিবু ধাছলা আদি নাম লৈ তেওঁলোক আমাৰ চকুৰ আগত ধৰা দিছে। প্ৰতিটো চৰিত্ৰই জীৱন্ত আৰু বিচিত্ৰ।

উপন্যাসখনৰ প্ৰধান নাৰী চৰিত্ৰ নাৰায়ণী। সাই নদীৰ পাৰৰ 'বাৰ্ক চাইট'ৰ শোষিত নিষ্পেষিত, নিপীড়িত, শ্ৰমিকসকলৰ মাজৰ এগৰাকী মহিলা শ্ৰমিক। সমাজৰ অস্পৃশ্য অৱহেলিত হৰিজন শ্ৰমিকসকলৰ জীৱন ধাৰণৰ বাবে প্ৰাথমিক প্ৰয়োজনখিনি পুৰাবলৈও সামৰ্থ্য নাই। একুৱেডাক্ট নিৰ্মাণকাৰী ডানকান কোম্পানীৰ ইঞ্জিনিয়াৰ আৰু অন্যান্য বিষয়া কৰ্মচাৰীয়ে লাভ কৰা সা-সুবিধা হৰিজনসকলে নাপায়। মজুৰীও নিয়মীয়া নহয়। মজদুৰসকলৰ মাজতো শ্ৰেণী বিভাজন আছে। পাৰ্মানেণ্ট, মাহলী পেইড আৰু ডেইলী পেইড। পাৰ্মানেণ্ট শ্ৰমিকসকলে বাকীসকলৰ তুলনাত কৰ্মদিনৰ নিশ্চিতি লাভ কৰে। মাহলী পেইডসকলে কোম্পানীৰ অন্য 'বাৰ্ক চাইট'ত কাম কৰিবলৈ সুযোগ পায়। কিন্তু 'ডেইলী পেইড' শ্ৰমিকৰ কোনো নিৰাপত্তা নাই। কোম্পানীৰ প্ৰয়োজন শেষ হ'লে বনুৱাসকলক 'ফাইনেল' নটিছ দিয়ে অৰ্থাৎ 'চাটাই' হৈ যায়। তেওঁলোকৰ প্ৰতি কোম্পানীৰ কোনো দায়িত্ব নাথাকে। চাটাই হৈ যোৱাৰ পিছত অন্য কামৰ সন্ধান নোপোৱালৈ এই শ্ৰমিকসকলৰ অৱস্থা ৰাস্তাত ঘূৰি ফুৰা ফপৰা কুকুৰৰ দৰে হয়। সেয়ে ভৱিষ্যত সংস্থাপনৰ নিৰাপত্তা বিচাৰি শ্ৰমিকসকলে ধৰ্মঘট কৰিবলৈ সংকল্পবদ্ধ হয়। তেওঁলোকে আশা কৰিছে



কোম্পানীৰ মেনেজমেণ্টে তেওঁলোকক 'ডেইলী পেইড'ৰ পৰা পাৰ্মানেণ্ট শ্ৰমিকলৈ উন্নীত কৰিব।

নাৰায়ণী কোম্পানীৰ ডেইলী পেইড হৰিজন শ্ৰমিক। তিনিমহীয়া এটি কেঁচুৱাৰ মাক আৰু বেমাৰী শ্ৰমিক শিবু ধাছলাৰ পত্নী। উপন্যাসৰ কাহিনীত নাৰায়ণীৰ পিতৃ-মাতৃ, ভাই-ভনী বা অন্য কোনো আদ্যোপান্তৰ উল্লেখ পাবলৈ নাই। উপন্যাসৰ দ্বিতীয় অধ্যায়ত দুৰ্দশাগ্ৰস্থ শ্ৰমিক শিবু লেঙেৰাৰ ভাবজগতত প্ৰথমবাৰৰ বাবে নাৰায়ণীৰ অৱস্থিতি ধৰা পৰিছে।

*...ছুইপাৰ বেকেৰ প্ৰত্যেকটি মানুহৰ কথা শিবু লেঙেৰাৰ মনত পৰিল।*

*কলৈ যাব নাৰায়ণীয়ে তাইৰ সেই দুমহীয়া কেঁচুৱাটি লৈ? গিৰিয়েকৰ যক্ষ্মা হৈছিল। এতিয়া ভাল হৈ উভতি আহিছে যদিও কাম কৰিব পৰা হোৱা নাই। চাবেংখেৱা ব্ৰাঞ্চত ছুইপাৰবোৰক খেদি দিয়াৰ পাছত একপ্ৰকাৰ নিৰাশ্ৰয় অৱস্থাত তাইৰ পাঁচবছৰীয়া পুতেক এটা মৰিছিল।.... এতিয়া তাই তিনিমহীয়া শিশু এটি আৰু বেমাৰী গিৰিয়েকক লৈ কাম বিচাৰি ক'ত ঘূৰি ফুৰিব।*

*নাৰায়ণী এসময়ত বৰ ধুনীয়া আছিল। আজি লিচু লেঙেৰাই তাইক পৰিত্যক্ত 'চাটাৰিং প্লেট' কিছুমানৰ ওপৰত মুখ ওন্দোলাই বহি থকা দেখি আহিছে।[১০]*

অৰ্থাৎ ধৰ্মঘটৰ সম্ভাৱনাই নাৰায়ণীৰ মনলৈ অশনি সংকেট কঢ়িয়াই আনিছে। সাই নদীৰ 'একুৱেডাক্ট' নিৰ্মাণৰত 'বাৰ্ক চাইট'লৈ অহাৰ আগতে ডানকান কোম্পানীৰ কাম চলিছিল চাবেংখেৱাত। চাবেংখেৱাৰ 'বাৰ্ক চাইট'ত থাকোতে নাৰায়ণী 'আধা মেল খোৱা গোলাপ ফুলৰ কলিলৈ'[১১] ৰূপান্তৰ হৈছিল। ঔপন্যাসিকাই উঠন গাভৰু নাৰায়ণীৰ ৰূপৰ বৰ্ণনা দিছে এনেদৰে—

*তাইৰ চিকুণ চুলিত মৰুভূমিৰ বুকুত জিবণি লোৱা উটৰ ছাঁ। আৰু তাইৰ নাকৰ আকৃতি গঁড়াৰৰ কোণত লগোৱা ত্ৰিভুজ আকাৰৰ এখনি সুন্দৰ চাটাৰিং প্লেটৰ দৰেই.....*

*আহ আৰু তাই ওঁঠ? জোনৰ পোহৰত তিৰ্‌বিৰাই থকা শৈলুবৈ কোনোবাই দেখিছেনে?[১২]*

লেখিকাই নাৰায়ণীৰ ক'লা দীঘল চুলিটাৰীৰ তুলনা দিবলৈ মৰুভূমি অঞ্চলত